3 (Sem–1/CBCS) ASM HC 2

**2020**

( Held in April–May, 2021 )

# ASSAMESE

( Honours )

Paper : ASM–HC–1026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা বা দুটা শব্দত উত্তৰ দিয়া : ১×১০=১০

(ক) কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যই কোনগৰাকী ধৰ্মপ্ৰচাৰকৰ শৰণ লৈছিল ?

(খ) শংকৰদেৱৰ 'কীৰ্তন' পুথি কোনে সংকলন কৰিছিল ?

(গ) সুকুমাৰ বৰকাথৰ অমৰ সাহিত্য-কৃতি কোনখন ?

(ঘ) ৰঘুনাথ মহন্তৰ যি কোনো এটি সাহিত্য-কৃতিৰ নাম উল্লেখ কৰা।

(ঙ) 'দৰং ৰাজবংশাৱলী'ৰ ৰচক কোন ?

(চ) 'অৰুণোদই' কাকত কিমান চনলৈ চলিছিল ?

(ছ) বিশ্বেশ্বৰ বৈদ্যাধিপ কোন শতিকাৰ লোক ?

(জ) অসমীয়া ভাষাৰ প্ৰচলনৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকনে কোনগৰাকী ইংৰাজ বিষয়াক লগ ধৰিছিল ?

(ঝ) নাথান ব্ৰাউন কোন চনত অসমলৈ আহিছিল ?

(ঞ) হেমচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা কাকতখনৰ নাম কি আছিল ?

২। দুটা বা তিনিটা বাক্যত উত্তৰ দিয়া : ২×৫=১০

(ক) ভট্টদেৱৰ 'কথা-ভাগৱত'ৰ দুটা ভাষাগত বৈশিষ্ট্য উল্লেখ কৰা।

(খ) গদ্যত ৰচিত দুখন চৰিত-পুথিৰ নাম লিখা।

(গ) গুণাভিৰাম বৰুৱাৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ' সন্দৰ্ভত এটা টোকা লিখা।

(ঘ) 'অৰুণোদই' যুগৰ যি কোনো দুখন অধুনালুপ্ত আলোচনীৰ নাম উল্লেখ কৰা।

(ঙ) 'অৰুণোদই' যুগৰ দুগৰাকী খৃষ্টানধৰ্মী লেখকৰ নাম উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) চৰিত-সাহিত্য

(খ) বুৰঞ্জী সাহিত্যৰ শ্ৰেণীবিভাজন

(গ) মণিৰাম দেৱানৰ সাহিত্যকৃতি





(ঘ) কাশীনাথ তামুলীফুকন

(ঙ) অসমীয়া ভাষাৰ বিকাশলৈ নাথান ব্ৰাউনৰ অৱিহণা

(চ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত'

৪। ৰচনাধৰ্মী উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) উত্তৰ-শংকৰী যুগৰ ঐতিহাসিক পটভূমিয়ে সাহিত্য সৃষ্টিত কিদৰে প্ৰভাৱ পেলাইছিল, আলোচনা কৰা।

(খ) উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ গতি-প্ৰকৃতি সম্বন্ধে এটা প্ৰবন্ধ প্ৰস্তুত কৰা।

(গ) চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ ভাষাগত পাৰ্থক্য প্ৰদৰ্শন কৰা।

(ঘ) উত্তৰ-শংকৰী যুগৰ ব্যৱহাৰিক সাহিত্য সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ঙ) 'অৰুণোদই' কাকতে অসমীয়া ভাষাৰ বিকাশলৈ কিদৰে বৰঙণি যোগাইছিল, দেখুওৱা।

(চ) বিষয়বস্তু-ৰচনাৰীতিৰ ক্ষেত্ৰত অৰুণোদই যুগৰ সাহিত্য কিদৰে উত্তৰ-শংকৰী যুগৰ সাহিত্যতকৈ পৃথক হৈ পৰিছিল ? আলোচনা কৰা।

(ছ) আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্য-দৃষ্টিক ইংৰাজী শিক্ষাই কিদৰে প্ৰভাৱিত কৰিছিল, দেখুওৱা।

(জ) কাশীনাথ তামুলীফুকনৰ বুৰঞ্জী সন্দৰ্ভত এটা প্ৰবন্ধ লিখা।

★★★